**NSD NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 18-04-2025 **Time :** 1205 Hrs.

***Assamese Midday Bulletin***

পহিলা মে'ৰ পৰা ৰাষ্ট্ৰীয় ঘাইপথত বাহনৰ পৰা মাচুল সংগ্ৰহৰ নতুন ব্যৱস্থা বলবৎ হ'ব বুলি ৰাষ্ট্ৰীয় ঘাইপথ প্ৰাধিকৰণে জানিবলৈ দিছে। সম্প্ৰতি চলি থকা ফাষ্টটেগ ব্যৱস্থাৰ সলনি নতুনকৈ বলবৎ হ'বলগীয়া জি এন এছ্ এছ ব্যৱস্থাত প্ৰতিখন বাহনত লগোৱা জি পি এছ্ ট্ৰেকাৰেৰে কৃত্ৰিম উপগ্ৰহই বাহনসমূহক নিৰীক্ষণ কৰিব। ৰাষ্ট্ৰীয় ঘাইপথত চলাচল কৰা কোনো গাড়ীয়ে যাতে বিনা মাচুলে যাত্ৰা কৰিব নোৱাৰে তাৰ বাবে বলবৎ কৰা এই নতুন ব্যৱস্থাত প্ৰতি কিলোমিটাৰৰ ভিত্তিত মাচুল সংগ্ৰহ কৰা হ'ব। ফাষ্টটেগৰ অনৈতিক ব্যৱহাৰৰ ফলত বিগত বৰ্ষত মন্ত্ৰালয়ে ১৮ কোটি ফাষ্টটেগ অবৈধ ঘোষণা কৰি বাতিল কৰিবলগীয়া হৈছিল। এই নতুন ব্যৱস্থাৰে টোলপ্লাজাসমূহত চলি অহা ঠগ-প্ৰৱঞ্চনাৰ অন্ত পৰিব বুলি ৰাষ্ট্ৰীয় পথ মন্ত্ৰালয়ে ঘোষণা কৰিছে। ঘাইপথ প্ৰাধিকৰণৰ পূৰ্বৰ ঘোষণা অনুযায়ী দিনটোত ২০ কিলোমিটাৰ পথ বিনা মাচুলে ভ্ৰমণ কৰাৰ সুবিধা পাব আৰু ইয়াৰ পাছত প্ৰতি কিলোমিটাৰত স্বয়ংক্ৰিয়ভাৱে মাচুল ভৰিব লাগিব। বৰ্তমানৰ নিৰিখত প্ৰতি ১০০ কিলোমিটাৰ যাত্ৰাত বাহনৰ গৰাকীয়ে ৫০ টকাকৈ ভৰিব লাগিব।

০০০০০

অসম সাহিত্য সভাৰ সভাপতি ড° বসন্ত কুমাৰ গোস্বামীৰ নেতৃত্বত আজিৰেপৰা সভাৰ সেতুবন্ধ কাৰ্যসূচী অনুষ্ঠিত হৈছে। ন-পুৰণি বিষয়ববীয়া আৰু সভ্যকে ধৰি সকলো স্থায়ী সদস্য আৰু বৈদিক সমাজৰ বিদ্বান ব্যক্তিসকলক একত্ৰিত কৰাৰ লক্ষ্যৰে এই সেতুবন্ধ যাত্ৰা আৰম্ভ কৰা হৈছে। গুৱাহাটীৰ ভগৱতী প্ৰসাদ বৰুৱা ভৱনৰ পৰা আজি পুৱা আৰম্ভ হোৱা এই সেতুবন্ধ যাত্ৰাৰ ধুবুৰী জিলাত অন্ত পৰিব।

০০০০০

শিখ ধৰ্মাৱলম্বী লোকসকলৰ নৱম গুৰু টেগ বাহাদুৰ চাহিবৰ সোঁৱৰণত আজি দেশজুৰি প্ৰকাশ পৰ্ব অনুষ্ঠান উদযাপন কৰা হৈছে। অসমতো ধুবুৰীৰ গুৰুদ্বাৰা টেগ বাহাদুৰ চাহিবত শিখ গুৰুজনাৰ জয়ন্তী ধৰ্মীয় কাৰ্যসূচীৰে উদযাপন কৰা হৈছে। ১৬২১ চনত অমৃতসৰত জন্মগ্ৰহণ কৰা গুৰু হৰগোবিন্দ সিঙৰ সন্তান তথা ধৰ্মীয় উত্তৰসুৰী গুৰু টেগ বাহাদুৰ চাহিবে ধুবুৰী জিলাত ১৭শ শতিকাত এই গুৰুদ্বাৰটো স্থাপন কৰিছিল। আজি প্ৰকাশ পৰ্ব উপলক্ষে টেগ বাহাদুৰ চাহিব গুৰুদ্বাৰত নগৰ কীৰ্তনৰ আয়োজন কৰাৰ লগতে গুৰুবাণী পাঠ কৰা হৈছে।

০০০০০

মৰাণৰ লীজামণি শেনচোৱাই লতাশিলৰ ঐতিহ্যমণ্ডিত গুৱাহাটী বিহু সন্মিলনীৰ ২০২৫ বৰ্ষৰ বিহু সম্ৰাজ্ঞীৰ শিতাপ অৰ্জন কৰিছে। মুঠ ৯ গৰাকী প্ৰতিযোগীৰ মাজৰ পৰা লীজামণি শেনচোৱাই এই খিতাপৰ লগতে নগদ এক লাখ টকা, ৰূপৰ মুকুট আৰু অন্যান্য সামগ্ৰী উপহাৰ হিচাপে লাভ কৰে। ইপিনে প্ৰতিযোগিতাত দুলীয়াজানৰ দীক্ষা

গগৈয়ে বিহু কুঁৱৰী আৰু ধেমাজিৰ প্ৰীতিৰানী বৰগোঁহায়ে বিহুৰাণীৰ খিতাপ লাভ কৰে। যোৱা নিশা গুৱাহাটী বিহু সন্মিলনীয়ে তিনিওগৰাকী বিহুৱতীকে এই পুৰস্কাৰসমূহ প্ৰদান কৰিছে।

০০০০০

কাজিৰঙাত আজিৰে পৰা দুদিনীয়া কাৰ্যসূচীৰে অৰ্কিড এণ্ড বাটাৰফ্লাই ৱাক শীৰ্ষক এটা অনুষ্ঠানৰ আয়োজন কৰা হৈছে। অৰ্কিড আৰু পখিলা চিনাক্তকৰণৰ অৰ্থে কাৰিজৰঙা উদ্যান কৰ্তৃপক্ষই প্ৰথমবাৰৰ বাবে এই অনুষ্ঠানৰ আয়োজন কৰিছে। দুস্প্ৰাপ্য অৰ্কিড আৰু পখিলা চিনাক্তকৰণ, সংৰক্ষণৰ বাবে আয়োজন কৰা এই অনুষ্ঠানত গাইড, প্ৰকৃতিপ্ৰেমী সংগঠনৰ লগতে অৰ্কিড বিশেষজ্ঞ সঞ্জীত গগৈ আৰু পখিলা বিশেষজ্ঞ মনসুন জ্যোতি গগৈয়ে অংশগ্ৰহণ কৰিছে। উল্লেখযোগ্য যে কাজিৰঙাৰ পাণবাৰী সংৰক্ষিত বনাঞ্চলত বিভিন্ন প্ৰজাতিৰ পশু-পক্ষীৰ লগতে দুস্প্ৰাপ্য প্ৰজাতিৰ অৰ্কিডো আছে।

০০০০০

গুৱাহাটী মহানগৰীৰ গড়ভাঙ্গা সংৰক্ষিত বনাঞ্চলত নতুন প্ৰজাতিৰ এবিধ ভেকুলী আৱিস্কাৰ কৰা হৈছে। আৰ্য বিদ্যাপীঠ মহাবিদ্যালয়ৰ গৱেষক ড০ জয়াদিত্য পুৰকায়স্থ, ড০ দিপংকৰ দত্ত, ড০ জয়ন্ত গগৈ আৰু ড০ শৈবাল সেনগুপ্তই লেপ্টব্ৰেকিয়াম এৰিয়াটাম নামৰ এই নতুন ভেকুলীবিধ আৱিস্কাৰ কৰিছে। জীৱবিজ্ঞানী কেইগৰাকীৰ মতে গড়ভাঙ্গা বনাঞ্চলৰ উচ্চ মানৰ জৈৱ-বৈচিত্ৰ্যত নৱতম সংযোজন এই ভেকলীবিধৰ কণ্ঠস্বৰ অন্যান্য সমগোত্ৰীয়তকৈ কোমল। বাৰিষাৰ আগমনৰ বাৰ্তা দিব পৰা এই নতুনকৈ আৱিস্কৃত ভেকুলীবিধে এপ্ৰিলৰ পৰা আগষ্ট মাহলৈ অধিক সক্ৰিয় হৈ থাকে। বনাঞ্চলখনৰ অভ্যন্তৰৰ সেমেকা ঠাইসমূহ বাসস্থান হিচাপে নিৰ্বাচন কৰা এই প্ৰজাতিটোৰ নিকটতম প্ৰজাতিসমূহ মেঘালয়, মণিপুৰ আৰু মিজোৰামত আৱিস্কৃত হৈছে যদিও বৰ্তমানলৈকে অসমৰ গড়ভাঙ্গা আৰু আমছাং অভয়াৰণ্যৰ বাদে চুবুৰীয়া ৰাজ্য মেঘালয়ৰ নংখাইলেম অভয়াৰণ্যৰ বাদে অন্য কোনো ঠাইত এই প্ৰজাতিটোৰ উপস্থিতি জানিব পৰা হোৱা নাই।

০০০০০

আজি বিশ্ব ঐতিহ্য দিৱস। এই উপলক্ষে আজি পুৰাতত্ব জৰীপ বিভাগৰ অধীনত থকা চৰাইদেউ মৈদাম ক্ষেত্ৰ পৰ্যটকৰ বাবে বিনামূলীয়া দৰ্শনৰ ব্যৱস্থা কৰা হৈছে। অসম প্ৰত্নতত্ব সঞ্চালকালয়েও চৰাইদেউ মৈদাম বিশ্ব ঐতিহ্য ক্ষেত্ৰত আজি ভালেমান কাৰ্যসূচী গ্ৰহণ কৰিছে বুলি সঞ্চালকালয়ৰ উপ-সঞ্চালক ড০ নৱজ্যোতি দেউৰীয়ে জানিবলৈ দিয়ে।

০০০০০

আই পি এল ক্ৰিকেট প্ৰতিযোগিতাত আজি বেংগালুৰুৰ এম ছিন্নস্বামী ষ্টেডিয়ামত ৰয়েল ছেলেঞ্জাৰ্ছ বেংগালুৰু পাঞ্জাৱ কিংছৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। খেলখন সন্ধিয়া চাৰে ৭ বজাত আৰম্ভ হ'ব।

ইপিনে, কালি নিশা মুম্বাইৰ ৱাংখেড়ে ষ্টেডিয়ামত হোৱা এখন খেলত মুম্বাই ইণ্ডিয়ানছে ছান ৰাইজাৰ্ছ হায়দৰাবাদক ৪ উইকেটত পৰাস্ত কৰে। ১৬৩ ৰানৰ বিজয় লক্ষ্যৰে খেলিবলৈ লোৱা মুম্বাইৰ দলটোৱে ১৮ অভাৰ আৰু এটা বলতেই ৬টা উইকেট হেৰুৱাই ১৬৬ ৰান কৰি বিজয় সাব্যস্ত কৰে।

০০০০০

***সমাপ্ত***